জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭২৬/২০২০

# কুৰুৱাবাহী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী গোপাল চন্দ্ৰ দেৱ গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩ নৱেম্বৰ ঃ** কুৰুৱাবাহী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী গোপাল চন্দ্ৰ দেৱ গোস্বামীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত গোপাল চন্দ্ৰ দেৱ গোস্বামীয়ে আমাৰ আধ্যাত্মিক জীৱনধাৰাৰ লগতে শিক্ষা আৰু সমাজ জীৱনলৈ যি বৰঙনি আগবঢ়াই গ'ল সেয়া অসমবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। কুৰুৱাবাহী সত্ৰৰ সত্ৰাধিকাৰ হিচাপে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত তেখেতে গুৰুত্বপূৰ্ণ অৰিহণা যোগাই গৈছে। বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ দিশতো তেখেতে বিশিষ্ট বৰঙনি যোগাই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত গোপাল চন্দ্ৰ দেৱ গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**৩/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in